(h) manner of compounding of offences under sub-section (1) and the form and manner for making application for such compounding under sub-section (4) of section 32;

(i) any other matter which is required to be, or may be prescribed."

MEHBOOBA BEGUM,

Joint Secretary (Secretary In Charge) to the Government of Assam,
Legislative Department, Dispur, Guwahati-6.

২০২৬ চনৰ অসম অধিনিয়ম নং ১৭

(২০২৬ চনৰ ৩১ আগষ্ট তাৰিখে অসমৰ মাননীয় ৰাজ্যপালৰ দ্বাৰা স্বীকৃত)

অসম দোকান আৰু প্ৰতিষ্ঠান (সংশোধন) অধিনিয়ম, ২০২৬

এখন

অধিনিয়ম

২ ছেপ্টেম্বৰ, ২০২৬

অসম দোকান আৰু প্ৰতিষ্ঠান অধিনিয়ম, ২০২২ ক পৰৱৰ্তী সংশোধন কৰিবলৈ।

প্ৰস্তাৱনা

যিহেতু অসম দোকান আৰু প্ৰতিষ্ঠান অধিনিয়ম, ২০২২, মূল অধিনিয়ম বুলি যিখন ইয়াৰ পিছত উল্লেখিত হৈছে, ইয়াৰ পিছত উল্লেখ কৰা ধৰণেৰে সংশোধন কৰাটো কালোচিত ; ২০২৫ চনৰ অসম অধিনিয়ম নং III

ইয়াৰ দ্বাৰা ভাৰত গণৰাজ্যৰ সাতসত্তৰতম্ বৰ্ষত ইয়াক নিম্নলিখিত ধৰণেৰে অধিনিয়মিত কৰা হৈছে :—

সংক্ষিপ্ত নাম, বিস্তাৰ আৰু প্ৰাৰম্ভণ

১। (১) এই অধিনিয়মখন অসম দোকান আৰু প্ৰতিষ্ঠান (সংশোধন) অধিনিয়ম, ২০২৬ বুলি অভিহিত হ'ব।

(২) ইয়াৰ বিস্তাৰ মূল অধিনিয়মৰ দৰে।

(৩) ই তাৎক্ষণিকভাৱে বলবৎ হ'ব।

শিৰোনামৰ সংশোধন

২। মূল অধিনিয়মত, শিৰোনামত, শব্দ "প্ৰতিষ্ঠান" ৰ সলনি, শব্দ "প্ৰতিষ্ঠানসমূহ" প্ৰতিষ্ঠাপিত হ'ব।

দীঘলীয়া শিৰোনামৰ সংশোধন

৩। মূল অধিনিয়মত, দীঘলীয়া শিৰোনামৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা:-

"দোকান আৰু প্ৰতিষ্ঠান সমূহৰ শ্ৰমিক আৰু কৰ্মচাৰীৰ নিয়োগৰ চৰ্তাৱলী আৰু সেৱাৰ অন্যান্য চৰ্তাৱলীৰ নিয়ন্ত্ৰণ আৰু ইয়াৰ সৈতে জড়িত আৰু আনুষংগিক বিষয়সমূহ উপবন্ধিত কৰিবলৈ।"

প্ৰস্তাৱনাৰ সংশোধন

৪। মূল অধিনিয়মত, প্ৰস্তাৱনাৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা:—

"যিহেতু দোকান আৰু প্ৰতিষ্ঠানৰ সমূহৰ কাম আৰু নিয়োগৰ পৰিস্থিতিসমূহ নিয়ন্ত্ৰণ আৰু ইয়াৰ সৈতে জড়িত আৰু আনুষংগিক বিষয়সমূহৰ বাবে উপবন্ধ কৰাটো কালোচিত।"

ধাৰা ১ ৰ সংশোধন

৫। মূল অধিনিয়মত, ধাৰা ১ ত, উপ-ধাৰা (১) ত , শব্দ "প্ৰতিষ্ঠান" ৰ সলনি, শব্দ "প্ৰতিষ্ঠানসমূহ" প্ৰতিষ্ঠাপিত হ'ব।

ধাৰা ২ ৰ সংশোধন

৬। মূল অধিনিয়মত, ধাৰা ২ ত-,

(i) খণ্ড (১) ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা: —

"(১) "আপীল প্ৰাধিকাৰী" মানে শ্ৰম আয়ুক্ত, অসম;";

(ii) খণ্ড (১) ৰ পিছত, নিম্নলিখিত নতুন খণ্ড (১ক) অন্তৰ্ভুক্ত হ'ব, যথা:—

"(১ক) "ন্যায় নিৰ্ণায়ক প্ৰাধিকাৰী" মানে উপ শ্ৰম আয়ুক্ত, অসম;";

(iii) খণ্ড (২) ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা: —

"(২) "মুখ্য পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰী" মানে অধিনিয়মৰ ধাৰা ২৩-ৰ অধীনত নিযুক্তি দিয়া মুখ্য পৰিদৰ্শক- তথা-সহায়তা প্ৰদানকাৰী।";

(iv) খণ্ড (৩)ত, শব্দ "মাজনিশা" আৰু বিৰাম চিহ্ন ";" ৰ মাজত শব্দাৱলী আৰু সংখ্যা "পৰন্তু নিয়োগ কৰা ব্যক্তি এজনৰ ক্ষেত্ৰত, যাৰ কামৰ সময় মাজনিশাৰ পিছলৈ অধিক সময়লৈ বিস্তৃত হয়, এনে নিয়োগৰ প্ৰাৰম্ভণৰ সময়ৰ পৰা চৌব্বিশ ঘণ্টাৰ সময়সীমা আৰম্ভ হ'ব" অন্তঃস্থাপিত হ'ব;

(v) খণ্ড (৩) ৰ পিছত, এটা নতুন খণ্ড (৩ক) অন্তঃস্থাপিত কৰা হ'ব,যথা:-

"(৩ক) "কৰ্মচাৰী" মানে কোনো প্ৰতিষ্ঠানৰ ক্ষেত্ৰত, যিকোনো দক্ষ, অৰ্ধদক্ষ, অদক্ষ, হস্তচালিত, কাৰ্যক্ষম, তত্ত্বাৱধায়ক, পৰিচালনামূলক, প্ৰশাসনিক, কাৰিকৰী, কেৰাণী বা আন যিকোনো কাম কৰিবলৈ কোনো প্ৰতিষ্ঠানে মজুৰিত নিয়োজিত কৰা ব্যক্তি (প্ৰশিক্ষাৰ্থী অধিনিয়ম, ১৯৬১ৰ অধীনত নিয়োজিত প্ৰশিক্ষাৰ্থীৰ বাহিৰে), নিয়োগৰ চৰ্তাৱলী স্পষ্ট বা অন্তর্নিহিত হওক বা চৰকাৰে এনেকুৱা কৰ্মচাৰী বুলি ঘোষণা কৰা ব্যক্তি, কিন্তু ইয়াৰ ভিতৰত সশস্ত্ৰ বাহিনীৰ কোনো সদস্য অন্তর্ভুক্ত নহয়।;"; ১৯৬১ৰ কেন্দ্ৰীয় অধিনিয়ম নং ৫২

(vi) খণ্ড (৪) ত, উপ-খণ্ড (iii) বাদ দিয়া হ'ব;

(vii) খণ্ড (৫) ত,

(ক) প্ৰথম দফাত, দ্বিতীয় শাৰীত, শব্দাৱলী আৰু বিৰাম চিহ্ন "যিকোনো ব্যৱসায়," আৰু "বাণিজ্য" ৰ মাজত, শব্দাৱলী, বন্ধনী আৰু বিৰাম চিহ্ন, "উৎপাদন কাৰ্য্য (কাৰখানা নহয়)," অন্তঃস্থাপিত হ'ব;

(খ) উপ-খণ্ড (iii) ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা:—

"(iii) দোকান, আৱাসিক হোটেল, ৰেষ্টুৰেণ্ট, কেফে, ভোজনালয় বা আন যিকোনো অনুৰূপ স্থান, চিনেমা হল, থিয়েটাৰ, ৰাজহুৱা মনোৰঞ্জন বা মনোৰঞ্জনৰ স্থান যাৰ ক্ষেত্ৰত বৃত্তিমূলক সু�ৰক্ষা, স্বাস্থ্য আৰু শ্ৰমিক পৰিস্থিতি সংহিতা, ২০২০-ৰ ভাগ VII ৰ উপবন্ধাৱলী প্ৰযোজ্য নহয় ;" ২০২০ ৰ কেন্দ্ৰীয় অধিনিয়ম নং ৩৭

(গ) উপ-খণ্ড (iii) ৰ পিছত, নিম্নলিখিত নতুন উপ-খণ্ড (iii)(ক) অন্ত:স্থাপিত হ'ব, যথা: —

"(iii)(ক) বিজ্ঞাপন, কমিছন, ফৰৱার্ডিং বা বাণিজ্যিক প্ৰতিষ্ঠানসমূহ; সংসংস্থাত নিয়োজিত ব্যৱসায়িক প্ৰতিষ্ঠানসমূহকে ধৰি ঔদ্যোগিক বা বাণিজ্যিক উপকৰণৰ কেৰাণী বিভাগ (ৰাজহুৱা পৰিবহন সেৱা সহ), য'ত যিকোনো নির্মাণ প্রক্রিয়া চলিলেও, কিন্তু যিটো বৃত্তিমূলক সুৰক্ষা, স্বাস্থ্য আৰু কর্ম পৰিস্থিতি সংহিতা, ২০২০-ৰ ভাগ VII ৰ অধীনত নাথাকে;"; ২০২০ৰ কেন্দ্ৰীয় অধিনিয়ম নং ৩৭

(viii) খণ্ড (৬) বাদ দিয়া হ'ব;

(ix) খণ্ড (৭) ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা:—

"(৭) "পৰিদর্শক- তথা-সহায়তা প্রদানকাৰী" মানে এই অধিনিয়মৰ ধাৰা ২৩-ৰ অধীনত নিযুক্তি দিয়া পৰিদর্শক- তথা-সহায়তা প্রদানকাৰী;"

(x) খণ্ড (৮) ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা:—

"(৮) "কাৰখানা" মানে যিকোনো প্রাংগণ আৰু ইয়াৰ চৌহদ, যিটো বৃত্তিমূলক সুৰক্ষা, স্বাস্থ্য আৰু কর্ম পৰিস্থিতি সংহিতা, ২০২০-ৰ ধাৰা (২) ৰ উপ-ধাৰা (১) ৰ খণ্ড (ব) ৰ অধীনত আছে।"; ২০২০ ৰ কেন্দ্ৰীয় অধিনিয়ম নং ৩৭

(xi) খণ্ড (১১) ৰ পিছত, নিম্নলিখিত নতুন খণ্ড (১১)(ক) অন্তঃস্থাপিত হ'ব, যথা —

"(১১)(ক) "সাময়িক কাম" মানে এনে এক কার্য বা ঘটনা যি ধাৰাবাহিকভাৱে বা নিয়মিতভাৱে হোৱাৰ পৰিৱর্তে মাজে-সময়ে বা

অনিয়মিত ব্যৱধানত সংঘটিত হয়:

পৰন্তু কোনো দোকান বা প্ৰতিষ্ঠানত কৰা কামক সাময়িক কাম বুলি গণ্য কৰা নহ'ব,

(ক) যদিহে ই পূৰ্বৱৰ্তী বাৰ মাহত এশ বিছ দিনতকৈ অধিক সময়ৰ বাবে কৰা হৈছিল; বা

(খ) যদিহে ই এক ঋতুভিত্তিক প্ৰকৃতিৰ হয় আৰু এটা বছৰত ষাঠি দিনতকৈ অধিক সময়ৰ বাবে কৰা হয়।"

(xii) খণ্ড (১৫)ত, তৃতীয় শাৰীত, শব্দাৱলী "কৰ্ম" আৰু "সংযুক্ত" ৰ মাজত থকা শব্দাৱলী আৰু বিৰাম চিহ্ন ",যিকোনো কৰ্মচাৰীৰ দ্বাৰা বা সহায়ত" বাদ দিয়া হ'ব;

(xiii) ধাৰা (১৭) বাদ দিয়া হ'ব;

(xiv) খণ্ড (১৮) আৰু খণ্ড (১৯) বাদ দিয়া হ'ব;

(xv) খণ্ড (২০) ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা: —

"(২০) "শ্বিফ্ট" মানে এনে এক সময়সীমা য'ত দিনটোৰ বিভিন্ন সময়ত কাম কৰা কৰ্মচাৰীৰ দুটা বা তাতকৈ অধিক গোটে একে ধৰণৰ কাম কৰে;";

(xvi) খণ্ড (২১) ত, তৃতীয় শাৰীত, শব্দাৱলী "প্ৰদান কৰা" আৰু "আৰু" ৰ মাজত থকা শব্দ "গ্ৰাহকসকল" ৰ সলনি, শব্দ "গ্ৰাহক" আৰু চতুৰ্থ শাৰীত, শব্দাৱলী "গুদাম" আৰু "কৰ্মস্থলী" ৰ মাজত থকা শব্দ "বা" ৰ সলনি, শব্দাৱলী "আৰু কোনো" প্ৰতিষ্ঠাপিত হ'ব; আৰু পঞ্চম শাৰীত, শব্দ আৰু বিৰাম চিহ্ন "অন্যথা," আৰু "ব্যৱহৃত" ৰ মাজত থকা শব্দ "মূলতঃ" বাদ দিয়া হ'ব;

(xvii) ধাৰা (২২)ত, তৃতীয় শাৰীত, শব্দাৱলী "ৰ কাম" আৰু "যিকোনো দিনত" ৰ মাজত থকা, শব্দাৱলী "এজন শ্ৰমিক" ৰ সলনি, শব্দাৱলী "এজন কৰ্মচাৰী" প্ৰতিষ্ঠাপিত হ'ব;

(xviii) খণ্ড (২৩)ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা:—

"(২৩) "মজুৰি" মানে সকলো পাৰিতোষিক, সেয়া দৰমহা, ভাট্টা বা অন্য কোনো ধনৰ ৰূপতেই হওক, যিটো ধনৰ হিচাপত প্ৰকাশ কৰা হয় বা প্ৰকাশ কৰিব পৰা যায়, যদিহে নিয়োগৰ চৰ্তসমূহ পূৰণ কৰা হয়, স্পষ্ট বা অন্তৰ্নিহিত, তেওঁক নিযুক্তি বা এনে নিয়োগত কৰা কামৰ সন্দৰ্ভত নিয়োজিত ব্যক্তিক প্ৰদান কৰিবলগীয়া হ'ব, আৰু ইয়াৰ ভিতৰত আছে-

(i) মৌলিক দৰমহা;

(ii) মৰগীয়া ভাট্টা; আৰু

(iii) প্ৰতিষ্ঠাপন ভাট্টা, যদি আছে, কিন্তু ইয়াত অন্তৰ্ভুক্ত নহ'ব-

(ক) তৎসময়ত বলবৎ থকা কোনো বিধিৰ অধীনত দেয় লাভ ভাস্তা, যিটো নিয়োগৰ চৰ্তাৱলীৰ অধীনত প্ৰদান কৰিবলগীয়া পাৰিতোষিকৰ অংশ নহয়;

(খ) যিকোনো ঘৰ-আৱাস, বা পোহৰ, পানী, চিকিৎসা সেৱা বা অন্যান্য সা-সুবিধা প্ৰদানৰ মূল্য বা মজুৰি গণনাৰ পৰা বাদ দিয়া যিকোনো সেৱাৰ মূল্য;

(গ) যিকোনো পেঞ্চন বা ভৱিষ্য নিধি পুঁজিত নিয়োগকৰ্তাই দিয়া যিকোনো অৱদান আৰু ইয়াৰ ওপৰত জমা হোৱা সূত;

(ঘ) যিকোনো ভ্রমণ ভাট্টা বা যিকোনো ভ্রমণ ৰেহাইৰ মূল্য;

(ঙ) নিয়োগ কৰা ব্যক্তিজনক তেওঁৰ নিয়োগৰ প্ৰকৃতিৰ বাবে তেওঁৰ ওপৰত পৰা বিশেষ ব্যয় বহন কৰিবলৈ দিয়া যিকোনো ধনৰাশি;

(চ) ঘৰ ভাড়া ভাট্টা;

(ছ) কোনো ৰায় বা পক্ষসমূহৰ মাজত হোৱা নিষ্পত্তি বা আদালত বা ন্যায়াধিকৰণৰ আদেশৰ অধীনত প্ৰদান কৰিবলগীয়া পাৰিতোষিক;

(জ) যিকোনো অতিৰিক্ত সময়ৰ ভাট্টা;

(ঝ) কৰ্মচাৰীজনক প্ৰদান কৰিবলগীয়া যিকোনো কমিছন;

(ঞ) চাকৰিৰ অৱসান ঘটিলে প্ৰদান কৰিবলগীয়া যিকোনো পাৰিতোষিক;

(ট) কৰ্মচাৰীজনক প্ৰদান কৰিবলগীয়া যিকোনো বৰ্খাস্ত ক্ষতিপূৰণ বা অন্যান্য অৱসৰৰ চাকৰিৰ অৱসানৰ সুবিধা বা নিযুক্তি বন্ধ হোৱাৰ সময়ত তেওঁক দিয়া যিকোনো অনুগ্ৰহ ধন:

পৰন্তু এই খণ্ডটোৰ অধীনত মজুৰি গণনাৰ বাবে, যদিহে খণ্ড (ক)ৰ পৰা (ঝ) লৈকে নিয়োগকৰ্তাই কৰ্মচাৰীজনক প্ৰদান কৰা পৰিশোধ এই খণ্ডৰ অধীনত গণনা কৰা সকলো পাৰিতোষিকৰ আধা, বা অধিসূচিত কৰা কেন্দ্ৰীয় চৰকাৰে জনোৱা যিকোনো অন্যান্য শতাংশতকৈ অধিক হয়, তেন্তে এনে আধা, বা অধিসূচিত শতাংশতকৈ অধিক পৰিমাণক পাৰিতোষিক হিচাপে গণ্য কৰা হ'ব আৰু সেই অনুসৰি এই খণ্ডৰ অধীনত মজুৰিত যোগ কৰা হ'ব:

উপৰন্তু এইটোও নিৰ্ধাৰণ কৰা হৈছে যে য'ত কোনো কৰ্মচাৰীক তেওঁক প্ৰদান কৰিবলগীয়া মজুৰিৰ সমগ্ৰ বা অংশৰ সলনি মুখ্য পৰিদৰ্শক তথা সহায়কৰ দ্বাৰা অনুমোদিত যিকোনো ধৰণৰ পাৰিতোষিক দিয়া হয়, তেনে ধৰণৰ পাৰিতোষিকৰ মূল্য চৰকাৰে তেওঁক প্ৰদান কৰিবলগীয়া মুঠ মজুৰিৰ পোন্ধৰ শতাংশ বা আন কোনো শতাংশতকৈ অধিক নহ'ব।"

(xix) খণ্ড (২৪)ত, শেষৰ শাৰীত, শব্দাৱলী "মুখ্য সহায়তা প্ৰদানকাৰী"ৰ সলনি, শব্দাৱলী "মুখ্য পৰিদৰ্শক- তথা-সহায়তা প্ৰদানকাৰী" আৰু শব্দাৱলী "সহায়তা প্ৰদানকাৰী ব্যক্তি" ৰ সলনি, শব্দাৱলী "পৰিদৰ্শক- তথা-সহায়তা প্ৰদানকাৰী" প্ৰতিষ্ঠাপিত হ'ব;

(xx) খণ্ড (২৫) ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা:—
"(২৫) "শ্ৰমিক" মানে নিয়োগৰ চৰ্তাৱলী স্পষ্ট বা অন্তৰ্নিহিত হওক, ভাড়া বা পৰিশ্ৰমিকৰ বাবে যিকোনো হস্তচালিত, অদক্ষ, দক্ষ, কাৰিকৰী, পৰিচালনামূলক বা কেৰাণী কাম কৰিবলৈ নিয়োজিত এজেন্সীৰ জৰিয়তে নিয়োজিত ব্যক্তিকে ধৰি (প্ৰশিক্ষার্থী অধিনিয়ম, ১৯৬১ ৰ অধীনত এজন প্ৰশিক্ষার্থীৰ বাহিৰে) যিকোনো ব্যক্তি।"

১৯৬১ ৰ কেন্দ্ৰীয় অধিনিয়ম ৫২

ধাৰা ৩ ৰ সংশোধন

৭। মূল অধিনিয়মত, ধাৰা ৩ ত,

(i) উপ-ধাৰা (১)ত, উপ-খণ্ড (ক), (ঙ) আৰু (ছ) বিলোপ কৰা হ'ব আৰু উপ- খণ্ড (খ),(গ), (ঘ)আৰু (চ) ক্ৰমান্বয়ে খণ্ড (ক), (খ), (গ) আৰু (ঘ) হিচাপে পুনৰ সংখ্যাঙ্কিত কৰা হব;

(ii) উপ-ধাৰা (২) বাদ দিয়া হ'ব।

ধাৰা ৫ ৰ সংশোধন

৮। মূল অধিনিয়মত, ধাৰা ৫ ত, দ্বিতীয় শাৰীত, শব্দাৱলী "এজন শ্ৰমিক" ৰ সলনি, শব্দাৱলী "এজন কৰ্মচাৰী" আৰু চতুৰ্থ শাৰীত, শব্দাৱলী "শ্ৰমিকজন" ৰ সলনি, শব্দাৱলী "এজন কৰ্মচাৰী" প্ৰতিষ্ঠাপিত হ'ব আৰু তৃতীয় শাৰীত, শব্দাৱলী "অধিকাৰী" আৰু "অধীনত" ৰ মাজত থকা শব্দাৱলী "এই অধিনিয়মখন বলবৎ হোৱাৰ তাৰিখলৈকে" বাদ দিয়া হ'ব।

অধ্যায়-।। ৰ শিৰোনামৰ সংশোধন

৯। মূল অধিনিয়মত, অধ্যায়-।। ত, শিৰোনামত, শব্দাৱলী "দোকান আৰু প্ৰতিষ্ঠানৰ পঞ্জীয়ন" ৰ সলনি, শব্দাৱলী "প্ৰাৰম্ভণ, পৰিৱৰ্তন আৰু বন্ধ" প্ৰতিষ্ঠাপিত হ'ব।

ধাৰা ৬ ৰ বিলোপন

১০। মূল অধিনিয়মত, ধাৰা ৬ বিলোপ কৰা হ'ব।

ধাৰা ৭ ৰ সংশোধন:

১১। মূল অধিনিয়মত, ধাৰা ৭, আৰু প্ৰান্তীয় শিৰোনাম, ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা-

"দহজনতকৈ কম শ্ৰমিক থকা প্ৰতিষ্ঠানৰ দ্বাৰা জাননী

৭। এই অধিনিয়ম আৰম্ভ হোৱাৰ তাৰিখৰ পৰা বা প্ৰতিষ্ঠানটোৱে ব্যৱসায় আৰম্ভ কৰা তাৰিখৰ পৰা ষাঠী দিনৰ ভিতৰত, দহজনতকৈ কম শ্ৰমিক নিয়োগ কৰা প্ৰতিটো প্ৰতিষ্ঠানৰ নিয়োগকৰ্তাই ব্যৱসায় আৰম্ভ কৰাৰ বিষয়ে বিহিত কৰিব পৰা তেনে ৰূপত মুখ্য পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰী আৰু পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰীক অনলাইন বা জাননী প্ৰদান কৰিব লাগিব যাৰ অধিকাৰক্ষেত্ৰত প্ৰতিষ্ঠানটো অৱস্থিত, অনলাইন আত্মঘোষণা আৰু স্ব-প্ৰমাণিত নথিপত্ৰৰ সৈতে। পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰীয়ে এনে প্ৰতিষ্ঠানক নিৰ্ধাৰিত ৰূপ আৰু পদ্ধতি ত এনে জাননীৰ ৰচিদ প্ৰদান কৰিব লাগিব। এনে ৰচিদৰ জাননীৰ সবিশেষ বিহিত কৰিব পৰা তেনে ৰূপত পঞ্জীত লিপিবদ্ধ কৰা হ'ব:

পৰন্তু যদিহে এই অধিনিয়মৰ সকলো উপবন্ধাৱলী, যি বৃত্তিমূলক সু�ৰক্ষা, স্বাস্থ্য আৰু কৰ্ম পৰিস্থিতি সংহিতা, ২০২০ত অন্তৰ্ভুক্ত কৰা হোৱা নাই, সেইবোৰ দহ বা ততোধিক কৰ্মচাৰী থকা প্ৰতিষ্ঠানসমূহৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব।

২০২০ ৰ কেন্দ্ৰীয় অধিনিয়ম নং ৩৭

ধাৰা ৮ ৰ বিলোপন

১২। মূল অধিনিয়মত, ধাৰা ৮ বিলোপ কৰা হ'ব।

ধাৰা ৯ ৰ সংশোধন

১৩। মূল অধিনিয়মত, ধাৰা ৯ ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা:-

"৯। (১) প্ৰতিজন নিয়োগকৰ্তাই এই অধিনিয়মৰ ধাৰা ৭-ৰ অধীনত দাখিল কৰা আবেদনত থকা যিকোনো বিৱৰণৰ যিকোনো পৰিৱৰ্তন, লগতে নিৰ্ধাৰিত মাচুলৰ সৈতে ত্ৰিশ (৩০) দিনৰ ভিতৰত বিহিত কৰিব পৰা তেনে ৰূপত মুখ্য পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰী আৰু পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰীক অৱগত কৰিব লাগিব। পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰীয়ে, ধাৰা ৭-ৰ অধীনত এনে জাননী আৰু মাচুলৰ লগতে নিয়োগকৰ্তাৰ আত্মঘোষণা আৰু স্ব-প্ৰমাণিত নথিপত্ৰ লাভ কৰাৰ লগে লগে, এনে জাননী অনুসৰি প্ৰতিষ্ঠানসমূহ পঞ্জীত পৰিৱৰ্তন কৰিব লাগিব আৰু পোন্ধৰ (১৫) দিনৰ

ভিতৰত অনলাইনযোগে নতুন পঞ্জীয়ন প্ৰমাণপত্ৰ কৰিব লাগিব।

(২) দহজনতকৈ কম শ্ৰমিক নিয়োগ কৰা প্ৰতিজন নিয়োগকৰ্তাই এই অধিনিয়মৰ ধাৰা ৭-ৰ অধীনত ব্যৱসায় আৰম্ভ কৰাৰ ইংগিত দিয়া প্ৰপত্ৰত থকা যিকোনো বিৱৰণৰ যিকোনো পৰিৱৰ্তন নিৰ্ধাৰণ বিহিত কৰিব পৰা তেনে ৰূপত মুখ্য পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰী আৰু পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰী অৱগত কৰিব লাগিব।"

ধাৰা ১০ ৰ সংশোধন

১৪। মূল অধিনিয়মত, ধাৰা ১০ ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা-

"১০। (১) প্ৰতিষ্ঠানটো বন্ধ কৰাৰ ইচ্ছা কৰা প্ৰতিজন নিয়োগকৰ্তাই ৬০(ষাঠী) দিনৰ আগতে মুখ্য পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰী আৰু পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰীক আৰু দোকান আৰু প্ৰতিষ্ঠানৰ প্ৰভাৱিত কৰ্মচাৰীসকলক তলত উল্লেখ কৰা লিখিত জাননী দিব লাগিব, যথা:—

(i) বন্ধ কৰাৰ কাৰণসমূহ;

(ii) প্ৰভাৱিত হোৱাৰ সম্ভাৱনা থকা কৰ্মচাৰীৰ সংখ্যা;

(iii) বন্ধ কৰাৰ প্ৰস্তাৱিত তাৰিখ;

(iv) বিধিসন্মত বাবদ ধন আৰু কৰ্মচাৰীৰ বন্দৱস্তিৰ সবিশেষ।

সাত দিনতকৈ অধিক অস্থায়ী বন্ধৰ ক্ষেত্ৰত ত্ৰিশ দিনৰ জাননী দিব লাগিব। জাননী খনত অস্থায়ীভাৱে বন্ধ কৰাৰ বৈধ কাৰণ সন্নিবিষ্ট হ'ব।

(২) কোনো কাৰণতে যদি কোনো প্ৰতিষ্ঠান সম্পূৰ্ণৰূপে বন্ধ কৰি দিয়া হয়, তেন্তে বন্ধ হোৱাৰ ঠিক আগে আগে সেই প্ৰতিষ্ঠানত একেৰাহে কমেও এবছৰ কাম কৰা প্ৰতিজন কৰ্মচাৰীয়ে উপ-ধাৰা (৩) ৰ নিয়মাৱলী অনুসৰি জাননী আৰু ক্ষতিপূৰণ পোৱাৰ অধিকাৰী হ'ব; যেনেকৈ এজন কৰ্মচাৰীক ছাঁটাই কৰিলে সুবিধা দিয়া হয়:

পৰন্তু য'ত নিয়োগকৰ্তাৰ নিয়ন্ত্ৰণৰ বাহিৰত থকা কোনো অপৰিহাৰ্য পৰিস্থিতিৰ বাবে প্ৰতিষ্ঠানখন বন্ধ কৰিবলগীয়া হয়, তেন্তে উপ-ধাৰা (৩) ৰ খণ্ড (iii) ৰ অধীনত শ্ৰমিকজনক দিবলগীয়া ক্ষতিপূৰণৰ পৰিমাণ তেওঁৰ তিনি মাহৰ গড় মজুৰিতকৈ অধিক হ'ব নোৱাৰিব।

স্পষ্টীকৰণ—কেৱলমাত্ৰ নিম্নলিখিত কাৰণত বন্ধ হোৱা প্ৰতিষ্ঠান এখন—

(i) আৰ্থিক অসুবিধা (আৰ্থিক লোকচানক ধৰি); বা

(ii) নিষ্পত্তি নকৰা ষ্টক জমা হোৱা; বা

(iii) ইয়াক প্ৰদান কৰা পট্টা বা অনুজ্ঞাপত্ৰৰ ম্যাদ উকলি যোৱা; এই উপ-ধাৰাৰ অনুবিধিৰ অৰ্থৰ ভিতৰত নিয়োগকৰ্তাৰ নিয়ন্ত্ৰণৰ বাহিৰৰ অনিবাৰ্য পৰিস্থিতিৰ বাবে বন্ধ বুলি গণ্য কৰা নহ'ব।

(৩) কোনো প্ৰতিষ্ঠানত নিয়োজিত কোনো কৰ্মচাৰী যিয়ে এবছৰতকৈ নোহোৱা কম সময় ধৰি সেৱা আগবঢ়াইছে, তেওঁক সেই নিয়োগকৰ্তাই চাকৰিৰ পৰা বৰ্খাস্ত কৰিব নোৱাৰিব যেতিয়ালৈকে—

(i) কৰ্মচাৰীজনক চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ কাৰণ আৰু জাননীৰ ম্যাদ উকলি যোৱাৰ এক মাহৰ আগত

লিখিতভাৱে জাননী দিয়া হৈছে, বা এনে জাননীৰ পৰিৱর্তে কর্মচাৰীজনক জাননীৰ সময়ছোৱাৰ বাবে মজুৰি দিয়া হৈছে;

(ii) কর্মচাৰীজনক, বর্খাস্ত কৰাৰ সময়ত, ক্ষতিপূৰণ দিয়া হৈছে, যিটো প্রতি বছৰে সম্পূর্ণ কৰা অবিৰত সেৱা বা ছমাহকৈ অধিক সময়ৰ যিকোনো অংশৰ বাবে অধিসূচিত চৰকাৰে কৰিব পৰা এনে দিনৰ পোন্ধৰ দিনৰ গড় মজুৰি বা গড় মজুৰিৰ সমান হ'ব;

(iii) চৰকাৰ বা চৰকাৰে অধিসূচনাৰ জৰিয়তে নির্ধাৰণ কৰা প্রাধিকাৰীক প্রদান কৰিবলে বিহিত কৰিব পৰা পদ্ধতিৰে জাননী প্রদান কৰা হ'ব।

(৪) য'ত কোনো প্রতিষ্ঠানৰ যিকোনো কর্মচাৰীক চাকৰিৰ পৰা বর্খাস্ত কৰা হ'ব আৰু তেওঁ সেই প্রতিষ্ঠানটোৰ শ্রমিকৰ এটা বিশেষ শ্রেণীৰ অন্তর্গত, তেন্তে, নিয়োগকর্তা আৰু কর্মচাৰীৰ মাজত এই সন্দর্ভত যিকোনো চুক্তিৰ অনুপস্থিতিত, নিয়োগকর্তাই সাধাৰণতে সেই শ্রেণীত নিযুক্তি পোৱা শেষৰ কর্মচাৰীজনক চাকৰিৰ পৰা বর্খাস্ত কৰিব লাগিব, যদিহে লিপিবদ্ধ কৰিবলগীয়া কাৰণত নিয়োগকর্তাই আন কোনো কর্মচাৰীক চাকৰিৰ পৰা বর্খাস্ত নকৰে।"

ধাৰা ১২ ৰ সংশোধন

১৫। মূল অধিনিয়মত, ধাৰা ১২ ৰ সলনি, নিম্নলিখিত প্রতিষ্ঠাপিত হ'ব, যথা-

"১২। (১) প্রতিজন নিয়োগকর্তাই শ্রমিকৰ স্বাস্থ্য আৰু সুৰক্ষা সম্পর্কীয় নিম্নলিখিত ব্যৱস্থাসমূহ গ্রহণ কৰিব লাগিব আৰু:

(i) কার্যকৰী তত্ত্বাৱধানত দৈনিক আৱর্জনা সংগ্রহ, সংৰক্ষণ, নিষ্কাশনৰ উপযুক্ত ব্যৱস্থাটো নিশ্চিত কৰিব ;

(ii) পথকে ধৰি প্রতিষ্ঠানটোৰ সকলো স্থান ব্যৱহাৰৰ সময়ত পর্যাপ্ত প্রাকৃতিক বা কৃত্রিম পোহৰ বা দুয়োটা প্রদান কৰাটো নিশ্চিত কৰিব;

(iii) অসম অগ্নি আৰু আপদকালীন সেৱা অধিনিয়ম, ২০২৫ত উল্লেখ কৰা সকলো সুৰক্ষা ব্যৱস্থা গ্রহণ আৰু কার্যকৰী কৰিব; ২০২৫ চনৰ অসম অধিনিয়ম নং ৫৩

(iv) খিৰিকী আৰু স্কাইলাইটকে ধৰি দেৱাল আৰু চিলিংৰ পৃষ্ঠভাগ সদায় পৰিষ্কাৰ আৰু স্বাস্থ্যসন্মত অৱস্থাত ৰখাটো নিশ্চিত কৰিব;

(v) য'ত প্রাকৃতিক বায়ু চলাচলৰ দ্বাৰা সতেজ বায়ুৰ পর্যাপ্ত যোগান ধৰিব নোৱাৰি বা য'ত পথকে ধৰি কর্মস্থলীতে প্রয়োজনীয় পৰিমাণৰ বায়ু অনাটো কঠিন য'ত যান্ত্রিক বায়ুচলন প্রদান কৰিব।

(২) প্রতিজন নিয়োগকর্তাই দোকান বা প্রতিষ্ঠানত নিয়োজিত শ্রমিকসকলৰ ওপৰত নিৰন্তৰ পর্যাপ্ত তত্ত্বাৱধান প্রদান কৰা আৰু উপ-ধাৰা (১)ৰ অধীনত স্বাস্থ্য আৰু সুৰক্ষা সম্পর্কীয় উপবন্ধাৱলী মানি চলাটো নিশ্চিত কৰাৰ লগতে দুর্ঘটনা ৰোধ কৰিবলে প্রয়োজনীয় পদক্ষেপ গ্রহণ কৰাটো নিশ্চিত কৰাৰ বাবে দায়বদ্ধ হ'ব।"

ধাৰা ১৪ ৰ সংশোধন

১৬। মূল অধিনিয়মত, ধাৰা ১৪ ৰ সলনি, নিম্নলিখিত প্রতিষ্ঠাপিত হ'ব, যথা-

"১৪। অতিৰিক্ত সময়ৰ কামৰ ক্ষেত্রত মজুৰিৰ হাৰৰ দুগুণ হাৰত মজুৰি দিয়া হ'ব, য'ত কোনো কর্মচাৰীয়ে যিকোনো দিন বা যিকোনো সপ্তাহত এনেকৈ অধিক ঘণ্টা কাম কৰা প্রতিষ্ঠানত কাম কৰে আৰু অতিৰিক্ত সময়ৰ কামৰ সময়সীমা দৈনিক ভিত্তিত বা সাপ্তাহিক ভিত্তিত গণনা কৰা হ'ব, যিটো এনে শ্রমিকৰ বাবে অধিক অনুকূল:

পৰন্তু এনে কামৰ বাবে তেনে কৰ্মচাৰীৰ সন্মতি সাপেক্ষে, নিয়োগকৰ্তাই এজন শ্ৰমিকক অতিৰিক্ত সময় কাম কৰিবলৈ দায়বদ্ধ কৰিব ।"

ধাৰা ১৫ৰ সংশোধন

১৭। মূল অধিনিয়মত, ধাৰা ১৫ ত,

(i) প্ৰান্তীয় টোকাবোৰত, শব্দাৱলী "পৰ্য্যায় ভিত্তিক কাম আৰু অতিৰিক্ত সময়ৰ কাম" ৰ সলনি, শব্দাৱলী "পৰ্য্যায় ভিত্তিক কাম আৰু সাপ্তাহিক ছুটী" প্ৰতিষ্ঠাপিত হ'ব;

(ii) শব্দ "শ্ৰমিক" যেতিয়াই উদ্ভৱ হয়, ৰ সলনি, শব্দ "কৰ্মচাৰী" প্ৰতিষ্ঠাপিত হ'ব;

(iii) উপ-ধাৰা (১) ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা:-

"(১) দোকান বা প্ৰতিষ্ঠানটোৰ কোনো বিভাগ বা বিভাগৰ কোনো অংশই এটাতকৈ অধিক পৰ্য্যায়ত কাম কৰিব পাৰে।"

(iv) উপ-ধাৰা (৪) ত, চতুৰ্থ শাৰীত, শব্দাৱলী "টো লৈ" আৰু "বৈদ্যুতিক ভাৱে" ৰ মাজত প্ৰতীত শব্দাৱলী "সহায়তা প্ৰদানকাৰী" ৰ সলনি, শব্দাৱলী "পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰী" প্ৰতিষ্ঠাপিত হ'ব।

ধাৰা ১৬ ৰ সংশোধন

১৮। মূল অধিনিয়মত, ধাৰা ১৬ আৰু প্ৰান্তীয় শিৰোনামৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা:-

"কৰ্মচাৰীজনক নিযুক্তি পত্ৰ আৰু পৰিচয় পত্ৰ প্ৰদান কৰা।

১৬। (১) দোকান বা প্ৰতিষ্ঠানৰ নিয়োগকৰ্তাই প্ৰতিজন কৰ্মচাৰীক এনে তথ্যৰ সৈতে আৰু প্ৰতিষ্ঠানটোত তেওঁৰ নিযুক্তিৰ সময়ত যথাবিহিত কৰা ধৰণে নিযুক্তি পত্ৰ প্ৰদান কৰিব, য'ত কোনো কৰ্মচাৰীক এই অধিনিয়মৰ প্ৰাৰম্ভণত বা পূৰ্বে এনে নিযুক্তি পত্ৰ প্ৰদান কৰা হোৱা নাই, তেখেতক প্ৰাৰম্ভণৰ তিনি মাহৰ ভিতৰত এনে নিযুক্তি পত্ৰ প্ৰদান কৰা হ'ব।

(২) দোকান বা প্ৰতিষ্ঠানৰ নিয়োগকৰ্তাই প্ৰতিজন কৰ্মচাৰীক এখন পৰিচয় পত্ৰ প্ৰদান কৰিব যিখন কৰ্মচাৰী গৰাকীৰ দ্বাৰা পৰিদৰ্শক তথা সুবিধাপ্ৰদানকাৰীৰ দাবীত দাখিল কৰিব। এনে পৰিচয় পত্ৰই যথাবিহিত সৰিশেষ সন্নিৱিষ্ট কৰিব।"

অধ্যায় IV ৰ শিৰোনাম সংশোধন

১৯। মূল অধিনিয়মত, অধ্যায় IV ত, শিৰোনামত, শব্দাৱলী "দৰমহা আৰু পৰিশোধ" বাদ দিয়া হ'ব।

ধাৰা ১৭ৰ সংশোধন

২০। মূল অধিনিয়মত, ধাৰা ১৭ ত,

(i) শব্দ "শ্ৰমিক" য'তেই উদ্ভৱ হয়, ৰ সলনি, শব্দ "কৰ্মচাৰী" প্ৰতিষ্ঠাপিত হ'ব;

(ii) উপ-ধাৰা (১) বিলোপ কৰা হ'ব;

(iii) উপ-ধাৰা (৩)ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা:-

"(৩) "ছয় মাহত কোনো দোকান বা প্ৰতিষ্ঠানত নব্বৈ দিন বা তাতোধিক সময় কাম কৰা প্ৰতিজন কৰ্মচাৰীক প্ৰতি বিশ দিনৰ কামৰ বাবে এদিনৰ হাৰত গণনা কৰা দিনৰ সংখ্যাৰ মজুৰিৰে উপাৰ্জিত ছুটীৰ অনুমতি দিয়া হ'ব।"

(iv) উপ-ধাৰা (৫) ত,

(ক) প্ৰথম শাৰীত, শব্দাৱলী "অস্বীকাৰ" আৰু "পৰ্য্যায়" ৰ মাজত প্ৰতীত শব্দাৱলী "মঞ্জুৰী দিবলৈ" বাদ দিয়া হ'ব আৰু দ্বিতীয় শাৰীত, শব্দাৱলী "প্ৰয়োগ কৰা" আৰু "তাৰ পিছত" ৰ মাজত প্ৰতীত শব্দাৱলী "পোন্ধৰ দিন আগতেই" বাদ দিয়া হ'ব;

(খ) অনুবিধিত, সপ্তম শাৰীত, শব্দাৱলী "সম্পূৰ্ণ মজুৰি" আৰু "সময়ছোৱাৰ বাবে" ৰ মাজত, শব্দাৱলী "আৰু তেওঁৰ মৃত্যুৰ ক্ষেত্ৰত তেওঁৰ আইনী ওৱাৰিছলৈ" অন্তঃস্থাপিত হ'ব।

(v) উপ-ধাৰা (৭) ত,

অনুবিধিত, তৃতীয় শাৰীত, শব্দাৱলী "সেই" আৰু "শ্ৰমিক" ৰ মাজত প্ৰতীত শব্দাৱলী "তেনে কামৰ বাবে" বাদ দিয়া হ'ব আৰু শেষৰ শাৰীত, শব্দাৱলী "টো" আৰু "বন্ধৰ দিন" ৰ মাজত প্ৰতীত শব্দ "বাধ্যতামূলক" ৰ সলনি, শব্দ "উৎসৱ" প্ৰতিষ্ঠাপিত হ'ব।

(vi) উপ-ধাৰা (৮)ত, খণ্ড (i) ত, চতুৰ্থ শাৰীত, শব্দাৱলী, বন্ধনী আৰু সংখ্যা "ঔদ্যোগিক নিয়োগ (স্থায়ী আদেশ) অধিনিয়ম, ১৯৪৬;" ৰ সলনি, শব্দাৱলী আৰু সংখ্যা "ঔদ্যোগিক সম্পৰ্ক সংহিতা, ২০২০; বা" প্ৰতিষ্ঠাপিত হ'ব; ২০২০ চনৰ কেন্দ্ৰীয় অধিনিয়ম নং ৩৫

ধাৰা ১৮ ৰ সংশোধন

২১। মূল অধিনিয়মত, ধাৰা ১৮ ত, তৃতীয় শাৰীত, শব্দাৱলী "সকলোৰে বাবে" আৰু "নিয়োজিত" ৰ মাজত প্ৰতীত শব্দ "শ্ৰমিকসকল" ৰ সলনি, "কৰ্মচাৰীসকল" প্ৰতিষ্ঠাপিত হ'ব।

ধাৰা ১৯ ৰ সংশোধন

২২। মূল অধিনিয়মত, ধাৰা ১৯ ত,

(i) দ্বিতীয় শাৰীত, শব্দাৱলী "যথাবিহিত পুৰুষ আৰু মহিলা" ৰ সলনি, শব্দ "কৰ্মচাৰী" প্ৰতিষ্ঠাপিত হ'ব;

(ii) অনুবিধিত, দ্বিতীয় শাৰীত, শব্দাৱলী "সুবিধাসমূহ" আৰু "শৌচাগাৰ" ৰ মাজত প্ৰতীত শব্দ "পৃথক" বাদ দিয়া হ'ব আৰু শব্দাৱলী "পুৰুষ আৰু মহিলা" ৰ সলনি, শব্দাৱলী "কৰ্মচাৰীসকল" প্ৰতিষ্ঠাপিত হ'ব।

ধাৰা ২০ আৰু ২২ ৰ বিলোপণ

২৩। মূল অধিনিয়মত, ধাৰা ২০ আৰু ২২ বিলোপ কৰা হ'ব।

ধাৰা ২৩ ৰ সংশোধন

২৪। মূল অধিনিয়মত, ধাৰা ২৩ আৰু প্ৰান্তীয় শিৰোনামৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা:-

"মুখ্য পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰী আৰু পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰীৰ নিযুক্তি আৰু তেওঁলোকৰ ক্ষমতা

২৩। চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ জৰিয়তে মুখ্য পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰীক নিযুক্তি দিব পাৰে যিজন এই অধিনিয়মৰ উদ্দেশ্যে উপযুক্ত বুলি ভৱা গোট-"ক" বিষয়া আৰু পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰীৰ নিম্ন পদমৰ্য্যদাৰ নহয়:

পৰন্তু পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰীৰ অনুপস্থিতিত, মুখ্য পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰীয়ে, এজন মুখ্য পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰীৰ ক্ষমতাৰ উপৰিও, এজন পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰীৰ ক্ষমতা প্ৰয়োগ কৰিব:

উপৰন্তু মুখ্য পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰীয়ে অধিনিয়মখনৰ ৰূপায়ণৰ উদ্দেশ্যে, উপযুক্ত বুলি ভৱা পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰীক এনে এলেকা(সমূহ) বা জিলা(সমূহ) ন্যস্ত কৰিব পাৰে।"

ধাৰা ২৪ ৰ সংশোধন

২৫। মূল অধিনিয়মত, ধাৰা ২৪ -ত- ,

(i) প্ৰান্তীয় টোকাবোৰত, শব্দাৱলী "মুখ্য সহায়তা প্ৰদানকাৰী আৰু সহায়তা প্ৰদানকাৰীৰ ক্ষমতা আৰু কৰ্তব্যসমূহ" ৰ সলনি, শব্দাৱলী "মুখ্য পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰী আৰু পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰীৰ ক্ষমতা আৰু কৰ্তব্যসমূহ" প্ৰতিষ্ঠাপিত হ'ব;

(ii) উপ-ধাৰা (১) ত, প্ৰথম শাৰীত, শব্দাৱলী "হ'ব পাৰে" আৰু "এখন আঁচনি" ৰ মাজত প্ৰতীত শব্দ "যথাবিহিত" ৰ সলনি, শব্দ "অধিসূচিত" প্ৰতিষ্ঠাপিত হ'ব আৰু চতুৰ্থ শাৰীত, শব্দাৱলী "পৰিদৰ্শন" আৰু "অনুসূচী" ৰ মাজত শব্দাৱলী "আৰু অনুপালন" অন্তঃস্থাপিত হ'ব;

(iii) উপ-ধাৰা (২) ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা:-

"(২) এই অধিনিয়মৰ ধাৰা ২৩ ৰ অধীনত নিযুক্ত প্ৰতিজন মুখ্য পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰী আৰু পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰীক ভাৰতীয় ন্যায় সংহিতা, ২০২৩ ৰ ধাৰা ২ ৰ উপ-ধাৰা (২৮) ৰ অৰ্থৰ ভিতৰত লোক সেৱক বুলি গণ্য কৰা হ'ব ।" ২০২৩ চনৰ কেন্দ্ৰীয় অধিনিয়ম নং ৪৫

(iv) উপ-ধাৰা (৩) ত,

(ক) প্ৰথম শাৰীত, শব্দাৱলী আৰু বিৰাম চিহ্ন "যথাবিহিত, সহায়তা প্ৰদানকাৰী" ৰ সলনি শব্দাৱলী "অধিসূচিত, পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰী" প্ৰতিষ্ঠাপিত হ'ব;

(খ) খণ্ড (i) ত, শেষৰ শাৰীত, শব্দাৱলী "অধিনিয়ম" আৰু "কাৰ্য্যকৰীভাৱে" ৰ মাজত, শব্দাৱলী "আৰু নিয়মাৱলী" অন্তঃস্থাপিত হ'ব;

(গ) খণ্ড (ii) ত, উপ-খণ্ড (গ)ত, তৃতীয় শাৰীত, শব্দাৱলী "টো" আৰু "হৈছে" ৰ মাজত প্ৰতীত শব্দ "সহায়তা প্ৰদানকাৰী" ৰ সলনি, শব্দাৱলী "পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰী" প্ৰতিষ্ঠাপিত হ'ব;

(ঘ) খণ্ড (ii) ত, উপ-খণ্ড (ছ) ত, অনুবিধিটো বাদ দিয়া হ'ব আৰু শব্দ "যথাবিহিত" ৰ পিছত, বিৰাম চিহ্ন ":" ৰ সলনি, বিৰাম চিহ্ন "।" প্ৰতিষ্ঠাপিত হ'ব ;

(v) উপ-ধাৰা (৪) ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা:-

"(৪) ধাৰা ২৩ ৰ অধীনত নিযুক্ত মুখ্য পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰী বা পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰীৰ প্ৰয়োজনীয় যিকোনো নথি-পত্ৰ দাখিল কৰিবলৈ বা যিকোনো তথ্য দিবলৈ অপেক্ষিত কোনো ব্যক্তিক ভাৰতীয় ন্যায় সংহিতা, ২০২৩ ৰ উপবন্ধাৱলী অনুসৰি তেনে কৰিবলৈ আইনীভাৱে বাধ্য বুলি গণ্য কৰা হ'ব।" ২০২৩ চনৰ কেন্দ্ৰীয় অধিনিয়ম নং ৪৫

(vi) উপ-ধাৰা (৫) ৰ সলনি নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা:-

"(৫) ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা, ২০২৩ ৰ উপবন্ধাৱলী যিমানদূৰ সম্ভৱ, উপ-ধাৰা (৩) ৰ খণ্ড (ii) ৰ উপ-খণ্ড (ঙ) ৰ অধীনত অনুসন্ধান বা জব্দ কৰাৰ ক্ষেত্ৰত প্ৰযোজ্য হ'ব, যেন সেইবোৰ ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা, ২০২৩ ৰ উপবন্ধাৱলীৰ অধীনত জাৰিকৃত পৰোৱানাৰ প্ৰাধিকাৰীৰ অধীনত কৰা অনুসন্ধান বা জব্দৰ ক্ষেত্ৰত প্ৰযোজ্য হয়।" ২০২৩ চনৰ কেন্দ্ৰীয় অধিনিয়ম নং ৪৬ ২০২৩ চনৰ কেন্দ্ৰীয় অধিনিয়ম নং ৪৬

(vii) উপ-ধাৰা (৫) ৰ পিছত, নিম্নলিখিত উপ-ধাৰা (৬) অন্তঃস্থাপিত হ'ব, যথা:-

"(৬) এই অধিনিয়মৰ যিকোনো উপবন্ধাৱলীৰ সন্দৰ্ভত এগৰাকী নিয়োগকৰ্তা আৰু পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰীৰ মাজত কোনো সন্দেহ বা মতানৈক্যৰ ক্ষেত্ৰত, পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰীয়ে বিষয়টো মুখ্য পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰীৰ ওচৰলৈ প্ৰেৰণ কৰিব যিয়ে তেখেতে উপযুক্ত বুলি ভৱা তদন্তৰ পিছত, বিষয়টোৰ সিদ্ধান্ত ল'ব আৰু ইয়াৰ সিদ্ধান্ত এই অধিনিয়মৰ উদ্দেশ্যে চূড়ান্ত হ'ব।

ধাৰা ২৫ ৰ সংশোধন

২৬। মূল অধিনিয়মত, ধাৰা ২৫ ত-,

(i) উপ-ধাৰা (২) ত, অনুবিধিত, দ্বিতীয় শাৰীত, শব্দাৱলী "এগৰাকীৰ দ্বাৰা পৰিদর্শন" আৰু "এক হার্ড" ৰ মাজত প্রতীত হোৱা শব্দ "সহায়তা প্রদানকাৰী" ৰ সলনি, শব্দাৱলী "পৰিদর্শক-তথা-সহায়তা প্রদানকাৰী" প্রতিষ্ঠাপিত হ'ব আৰু শব্দাৱলী "হার্ড কপি" আৰু "এনে ধৰণৰ" ৰ মাজত, শব্দাৱলী "বা ছফ্ট কপি" অন্তঃস্থাপিত হ'ব;

(ii) উপ-ধাৰা (৩) ত, শব্দাৱলী "পৰিদর্শন" আৰু "সকলো পঞ্জীয়ন" ৰ মাজত প্রতীত হোৱা শব্দ "সহায়তা প্রদানকাৰী" ৰ সলনি, শব্দাৱলী "মুখ্য পৰিদর্শক-তথা-সহায়তা প্রদানকাৰী বা পৰিদর্শক-তথা- সহায়তা প্রদানকাৰী" প্রতিষ্ঠাপিত হ'ব।

ধাৰা ২৬ ৰ সংশোধন

২৭। মূল অধিনিয়মত, ধাৰা ২৬ ত, তৃতীয় শাৰীত, শব্দাৱলী "লৈ" আৰু "যথা পাৰি" ৰ মাজত প্রতীত হোৱা শব্দাৱলী "এনে প্রাধিকৰণ" ৰ সলনি, শব্দাৱলী "মুখ্য পৰিদর্শক-তথা-সহায়তা প্রদানকাৰী আৰু পৰিদর্শক-তথা-সহায়তা প্রদানকাৰী" প্রতিষ্ঠাপিত হ'ব।

ধাৰা ২৭ ৰ সংশোধন

২৮। মূল অধিনিয়মত, ধাৰা ২৭ ৰ সলনি, নিম্নলিখিত প্রতিষ্ঠাপিত হ'ব, যথা:-

"২৭। (১) যদি এজন নিয়োগকর্তাই ধাৰা ৭ আৰু ধাৰা ১০ ৰ উপ-ধাৰা (২) ৰ বাহিৰে এই অধিনিয়মৰ উপবন্ধাৱলী আৰু ইয়াৰ অধীনত প্রণীত নিয়মাৱলী উলংঘন কৰে, তেন্তে তেওঁক পঞ্চাশ হাজাৰ টকা পর্য্যন্ত জৰিমনাৰে দণ্ডিত হ'ব আৰু অব্যাহত থকা উলংঘনৰ ক্ষেত্রত, অতিৰিক্ত জৰিমনাৰে যিটো এনে উলংঘন চলি থকা প্রতিটো দিনৰ বাবে দুহাজাৰ টকা পর্য্যন্ত বৃদ্ধি কৰিব পাৰি।

(২) যদি এজন নিয়োগকর্তাই ধাৰা ৭ আৰু ধাৰা ১০ ৰ উপ-ধাৰা (২) ৰ বাহিৰে এই অধিনিয়মৰ উপবন্ধাৱলী আৰু ইয়াৰ অধীনত প্রণীত নিয়মাৱলী উলংঘন কৰে, তেন্তে তেওঁক দহ হাজাৰ টকা পর্য্যন্ত জৰিমনাৰে দণ্ডিত হ'ব আৰু অব্যাহত থকা উলংঘাৰ ক্ষেত্রত, অতিৰিক্ত জৰিমনাৰে যিটো এনে উলংঘন চলি থকা প্রতিটো দিনৰ বাবে এশ টকা পর্য্যন্ত বৃদ্ধি কৰিব পাৰি।

(৩) এই অধিনিয়মৰ ধাৰা ২৯ ত দিয়া উপবন্ধাৱলী উলংঘন কৰাৰ বাবে জৰিমনা আৰোপ কৰাৰ উদ্দেশ্যে, চৰকাৰে জৰিমনা আৰোপ কৰাৰ তদন্তৰ বাবে উপ-শ্রম আয়ুক্ত বা সমতুল্য পদবীৰ তলৰ নোহোৱা কোনো বিষয়াক নিযুক্তি দিব পাৰে।"

ধাৰা ২৮ -ৰ সংশোধন

২৯। মূল অধিনিয়মত, ধাৰা ২৮ ত, শেষৰ শব্দাৱলী "বা দুয়োটাৰ সৈতে" ৰ পিছত প্রতীত হোৱা বিৰাম চিহ্ন "।" ৰ সলনি, বিৰাম চিহ্ন ":" প্রতিষ্ঠাপিত হ'ব আৰু তাৰ পিছত নিম্নলিখিত নতুন অনুবিধি অন্তঃস্থাপিত হ'ব, যথা:-

"পৰন্তু এই ধাৰাৰ অধীনত জৰিমনা আৰোপ কৰাৰ সময়ত, ন্যায়ালয়ে নির্দেশ দিব পাৰে যে জৰিমনাৰ এটা অংশ, যিটো ইয়াৰ পঞ্চাশ শতাংশতকৈ কম নহ'ব, ভুক্তভোগীক বা তেওঁৰ মৃত্যুৰ ক্ষেত্রত তেওঁৰ আইনী ওৰাৰিছসকলক ক্ষতিপূৰণ হিচাপে দিয়া হ'ব।"

ধাৰা ২৯ ৰ সংশোধন

৩০। মূল অধিনিয়মত, ধাৰা ২৯ ৰ সলনি, নিম্নলিখিতসমূহ প্রতিষ্ঠাপিত হ'ব, যথা:-

"২৯। (১) যিয়ে ইচ্ছাকৃতভাৱে এই অধিনিয়মৰ দ্বাৰা বা ইয়াৰ অধীনত প্রদান কৰা যিকোনো ক্ষমতা প্রয়োগ কৰাৰ সময়ত মুখ্য পৰিদর্শক-তথা-সহায়তা প্রদানকাৰী বা পৰিদর্শক-তথা-সহায়তা প্রদানকাৰীক বাধা দিয়ে বা কোনো দোকান বা প্রতিষ্ঠানৰ সম্পর্কত এই অধিনিয়মৰ দ্বাৰা বা ইয়াৰ অধীনত অনুমোদিত যিকোনো পৰিদর্শন, পৰীক্ষা, অনুসন্ধান বা তদন্ত কৰিবলৈ মুখ্য পৰিদর্শক-তথা-সহায়তা প্রদানকাৰী বা

পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰীক কোনো যুক্তিসংগত সুবিধা দিবলৈ অস্বীকাৰ কৰে বা ইচ্ছাকৃতভাৱে অৱহেলা কৰে, তেন্তে এক লাখ টকা পৰ্য্যন্ত জৰিমনাৰে বা কাৰাদণ্ডৰে যিটো তিনিমাহৰ এক অৱধি পৰ্য্যন্ত বিস্তাৰিত হ'ব পাৰে বা দুয়োটাৰে দণ্ডিত হ'ব।

(২) যিয়ে ইচ্ছাকৃতভাৱে মুখ্য পৰিদৰ্শক তথা সহায়তা প্ৰদানকাৰী বা পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰীৰ দাবীত এই অধিনিয়ম বা ইয়াৰ অধীনত প্ৰণীত নিয়মাৱলীৰ অনুসৰণত কোনো পঞ্জী বা অন্য দস্তাৱেজ উপস্থাপন কৰাত ইচ্ছাকৃতভাৱে অমান্তি হয়, বা এই অধিনিয়মৰ অধীনত তেওঁৰ কৰ্তব্যসমূহ সমাপন কৰাৰ ক্ষেত্ৰত মুখ্য পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰী বা পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰীৰ দ্বাৰা পৰীক্ষা কৰাৰ সময়ত কোনো ব্যক্তিক হাজিৰ হোৱাত বাধা প্ৰদান কৰে বা কৰিবলৈ চেষ্টা কৰে বা বিশ্বাস কৰাৰ কাৰণ থাকে তেওঁ জৰিমনাৰে যি দুই লাখ টকা পৰ্য্যন্ত হ'ব পাৰে বা কাৰাদণ্ডৰে যি তিনি মাহ পৰ্য্যন্ত হ'ব পাৰে বা দুয়োটাৰে দণ্ডিত হ'ব।"

ধাৰা ৩০ ৰ সংশোধন

৩১। মূল অধিনিয়মত, ধাৰা ৩০ ত,

(i) প্ৰান্তীয় টোকাসমূহত, শব্দাৱলী "অপৰাধৰ সংজ্ঞান" ৰ সলনি, শব্দাৱলী "কোম্পানীৰ দ্বাৰা অপৰাধ" প্ৰতিষ্ঠাপিত হ'ব;

(ii) উপ-ধাৰা (২) ত, স্পষ্টীকৰণ (ক) ত, প্ৰথম শাৰীত, শব্দাৱলী "নিগম" আৰু "অন্তৰ্ভুক্ত" ৰ মাজত প্ৰতীত হোৱা শব্দ "আৰু" ৰ সলনি, শব্দ "বা" প্ৰতিষ্ঠাপিত হ'ব।

ধাৰা ৩১ ৰ সংশোধন

৩২। মূল অধিনিয়মত, ধাৰা ৩১-ত,

(i) উপ-ধাৰা (১) ৰ সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা:-

"(১) কোনো ন্যায়ালয়ে ধাৰা ২৭, ২৮, ২৯ আৰু ৩০ ৰ অধীনত শাস্তিযোগ্য মুখ্য পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰীৰ দ্বাৰা বা পূৰ্ব অনুমোদন সহ সংঘটিত অপৰাধৰ সংজ্ঞান, পৰিদৰ্শক-তথা-সহায়তা প্ৰদানকাৰীৰ জ্ঞাত হোৱাৰ তাৰিখৰ পৰা ছয় মাহৰ ভিতৰত, গ্ৰহণ নকৰিব।

(ii) উপ-ধাৰা (৩) লোপ কৰা হ'ব।

ধাৰা ৩২ ৰ সংশোধন

৩৩। মূল অধিনিয়মত, ধাৰা ৩২-ত, উপ-ধাৰা (১) ত,

(i) প্ৰথম শাৰীত, শব্দাৱলী, সংখ্যা আৰু বিৰাম চিহ্ন "ফৌজদাৰী প্ৰক্ৰিয়া সংহিতা, ১৯৭৩" ৰ সলনি, শব্দাৱলী, সংখ্যা আৰু বিৰাম চিহ্ন "ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা, ২০২৩" প্ৰতিষ্ঠাপিত হ'ব; ২০২৩ চনৰ কেন্দ্ৰীয় অধিনিয়ম নং ৪৬

(ii) কাষৰ টোকাত, শব্দাৱলী আৰু সংখ্যা "১৯৭৪ চনৰ কেন্দ্ৰীয় অধিনিয়ম নং ২" ৰ সলনি, শব্দাৱলী আৰু সংখ্যা "২০২৩ চনৰ কেন্দ্ৰীয় অধিনিয়ম নং ২" প্ৰতিষ্ঠাপিত হ'ব;

ধাৰা ৩২ক আৰু ৩২খ স্থাপন

৩৪। মূল অধিনিয়মত, ধাৰা ৩২ ৰ পিছত, নিম্নলিখিত নতুন ধাৰা ৩২ক আৰু ৩২খ স্থাপন হ'ব, যথা-

"জৰিমনাৰ ন্যায় নিৰ্ণয়

৩২ক। (১) ধাৰা ২৭, ২৮, ২৯ আৰু ধাৰা ৩০ ৰ অধীনত জৰিমনা নিৰ্ধাৰণ কৰাৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে সেই অঞ্চলৰ ওপৰত ক্ষেত্ৰাধিকাৰ থকা উপ শ্ৰম আয়ুক্তক তদন্ত চলাবলৈ আৰু শুনানিৰ যুক্তিসংগত সুযোগ দিয়াৰ পিছত যথাবিহিত ধৰণেৰে জৰিমনা বিহাৰ বাবে ন্যায় নিৰ্ণায়ক বিষয়া হ'বলৈ প্ৰাধিকৃত কৰিব:

পৰন্তু ৰাজ্য চৰকাৰে প্ৰয়োজন অনুসৰি যথা অপেক্ষিত ন্যায় নিৰ্ণায়ক বিষয়াক নিযুক্তি দিব পাৰে।

(২) ন্যায় নিৰ্ণায়ক বিষয়াই গোচৰৰ তথ্য আৰু পৰিস্থিতিৰ সৈতে পৰিচিত যিকোনো ব্যক্তিক উপস্থিত হৈ চমন কৰি সাক্ষ্য দিবলৈ বা যিকোনো দস্তাৱেজ দাখিল কৰিবলৈ বাধ্য কৰিব পাৰে, যিটো ন্যায় নিৰ্ণায়ক বিষয়াৰ মতে তদন্তৰ বিষয়বস্তুৰ বাবে উপযোগী, বা প্ৰাসংগিক হ'ব পাৰে, আৰু যদি, এনে তদন্তত তেওঁ সন্তুষ্ট হয় যে সংশ্লিষ্ট ব্যক্তিজনে ধাৰা ২৭, ২৮, ২৯ আৰু ৩০ ৰ উপবন্ধাৱলী মানি চলাত ব্যৰ্থ হৈছে, তেন্তে তেওঁক জৰিমনা আৰোপ কৰিব পাৰে:

পৰন্তু সংশ্লিষ্ট ব্যক্তিজনক শুনানিৰ এক যুক্তিসংগত সুযোগ নিদিয়াকৈ এনে কোনো জৰিমনা আৰোপ কৰা নহ'ব।

আপীল ৩২খ। (১) ন্যায় নিৰ্ণায়ক বিষয়াৰ ধাৰা ৩২ক-ৰ যিকোনো আদেশত ক্ষুব্ধ হোৱা যিকোনো ব্যক্তিয়ে নিৰ্ধাৰিত ৰূপ আৰু ধৰণেৰে এনে জৰিমনা আৰোপ কৰাৰ আদেশ লাভ কৰাৰ তাৰিখৰ পৰা তিনি মাহৰ ভিতৰত অসমৰ শ্ৰম আয়ুক্তৰ ওচৰত আবেদন কৰিব পাৰে:

পৰন্তু শ্ৰম আয়ুক্ত, অৰ্থাৎ আপীল প্ৰাধিকাৰী, সন্তুষ্ট হয় যে আপীলকাৰীক পূৰ্বতে উল্লেখ কৰা তিনি মাহৰ ভিতৰত আপীল দাখিল কৰাত পৰ্যাপ্ত কাৰণত বাধা দিয়া হৈছিল, তেন্তে এনে আপীলক পৰৱৰ্তী তিনি মাহৰ ভিতৰত দাখিল কৰিবলৈ অনুমতি দিব পাৰে।

(২) আপীল প্ৰাধিকাৰীয়ে, আপীলকাৰীক শুনানিৰ সুযোগ দিয়াৰ পিছত, যদি ইচ্ছা কৰে, আৰু প্ৰয়োজনীয় বুলি বিবেচনা কৰা যিকোনো ধৰণৰ তদন্ত কৰাৰ পিছত, আপীল কৰা আদেশ নিশ্চিত, পৰিৱৰ্তন বা ওলোটা কৰিবলৈ উপযুক্ত বুলি ভবাৰ দৰে আদেশ জাৰি কৰিব পাৰে বা গোচৰটো নতুন সিদ্ধান্তৰ বাবে উপযুক্ত বুলি ভবাৰ দৰে নিৰ্দেশনা দি ঘূৰাই পঠিয়াব পাৰে।

(৩) এই অধিনিয়মত যিকোনো কথা থকা স্বত্ত্বেও, যদিহে ধাৰা ৩২ক ৰ অধীনত ন্যায় নিৰ্ণায়ক বিষয়াই আৰোপ কৰা জৰিমনা জমা কৰা নহয়, যথাস্থিতি, তেন্তে ধনৰাশি ৰাজহ পুনৰুদ্ধাৰ অধিনিয়ম, ১৮৯০ আৰু বংগ ৰাজহুৱা চাহিদা পুনৰুদ্ধাৰ অধিনিয়ম, ১৯১৩ ৰ উপবন্ধাৱলী অধীনত ভূমি ৰাজহৰ বকেয়া হিচাপে আদায় কৰা হ'ব।

১৮৯০ চনৰ কেন্দ্ৰীয় অধিনিয়ম নং ১

১৯১৩ চনৰ বংগ অধিনিয়ম নং ৩

(৪) উপ-ধাৰা (৩)ৰ অধীনত কৰা আপীল দাখিল কৰাৰ তাৰিখৰ পৰা নব্বে (৯০) দিনৰ ভিতৰত নিষ্পত্তি কৰা হ'ব।"

ধাৰা ৩৩ৰ সংশোধন ৩৫। মূল অধিনিয়মত, ধাৰা ৩৩ -ত, তৃতীয় শাৰীত, শব্দাৱলী "অন্তৰ্গত" আৰু "চৰকাৰ" ৰ মাজত প্ৰতীত হোৱা শব্দাৱলী "কেন্দ্ৰীয় বা ৰাজ্য" বিলোপ হ'ব।

ধাৰা ৩৪ ৰ সংশোধন

৩৬। মূল অধিনিয়মত, ধাৰা ৩৪ ৰ, সলনি, নিম্নলিখিত প্ৰতিষ্ঠাপিত হ'ব, যথা:-

"৩৪। এই অধিনিয়মত কোনো কথা থকা সত্ত্বেও, চৰকাৰে, চৰকাৰী ৰাজপত্ৰত অধিসূচনাৰ জৰিয়তে, জনস্বাৰ্থত, বিভিন্ন শ্ৰেণীৰ প্ৰতিষ্ঠান আৰু বিভিন্ন চৌহদ, স্পিং কমপ্লেক্স বা মলৰ বাবে আৰু বিভিন্ন অঞ্চলৰ বাবে আৰু বিভিন্ন সময়ৰ বাবে খোলা আৰু বন্ধ কৰাৰ এনে সময় নিৰ্ধাৰণ কৰিব পাৰে।"

ধাৰা ৩৫ -ৰ সংশোধন

৩৭। মূল অধিনিয়মত, ধাৰা ৩৫ -ত, পঞ্চম শাৰীত, শব্দ "শ্ৰমিক" ৰ সলনি, শব্দ "কৰ্মচাৰী" আৰু শব্দাৱলী "শ্ৰমিকসমূহৰ" সলনি, শব্দ "কৰ্মচাৰী" প্ৰতিষ্ঠাপিত হ'ব।

ধাৰা ৩৮ -ৰ সংশোধন

৩৮। মূল অধিনিয়মত, ধাৰা ৩৮ ত, উপ-ধাৰা (২) ত, উপ-খণ্ড (ক) ৰ পৰা (থ) লৈকে নিম্নলিখিতসমূহ প্ৰতিষ্ঠাপিত হ'ব, যথা:-

"(ক) জাননী, আত্মঘোষণা, স্ব-প্ৰমাণিত নথিপত্ৰৰ প্ৰ-পত্ৰ; জাননী লাভৰ ৰূপ আৰু ধৰণ, ধাৰা ৭ ৰ অধীনত পঞ্জীয়নৰ সবিশেষ আৰু প্ৰকাৰ;

(খ) ধাৰা ৯ ৰ অধীনত বিৱৰণৰ পৰিৱৰ্তনৰ জাননীৰ মাচুলৰ প্ৰ-পত্ৰ আৰু পৰিমাণ;

(গ) ধাৰা ১০ ৰ উপ-ধাৰা (৩) ৰ খণ্ড (iii) ৰ অধীনত জাননীৰ ধৰণ;

(ঘ) ধাৰা ১৬ ৰ অধীনত নিযুক্তি পত্ৰ আৰু পৰিচয় পত্ৰৰ প্ৰ-পত্ৰ আৰু সবিশেষ;

(ঙ) ধাৰা ২১ ৰ অধীনত প্ৰাথমিক চিকিৎসাৰ সুবিধা প্ৰদান;

(চ) ধাৰা ২৫ ৰ উপ-ধাৰা (১) ৰ অধীনত নিয়োগকৰ্তা সকলে পঞ্জীয়ন আৰু অভিলেখ তত্ত্বাৱধানৰ ৰূপ আৰু ধৰণ;

(ছ) ধাৰা ২৬-ৰ অধীনত বাৰ্ষিক প্ৰবিৱৰণ দাখিলৰ বাবে প্ৰ-পত্ৰ (বৈদ্যুতিক প্ৰ-পত্ৰকে ধৰি) আৰু পদ্ধতি আৰু এনে প্ৰবিৱৰণ দাখিল কৰিবলগীয়া প্ৰাধিকাৰী;

(জ) উপ-ধাৰা (১) ৰ অধীনত অপৰাধ আপোচৰ ধৰণ আৰু ধাৰা ৩২ ৰ উপ-ধাৰা (৪) ৰ অধীনত এনে আপোচৰ বাবে আবেদন কৰাৰ প্ৰ-পত্ৰ আৰু পদ্ধতি;

(ঝ) আন যিকোনো বিষয় যিটো অপেক্ষিত হয়, বা যথাবিহিত হ'ব পাৰে।"

মেহবুবা বেগম,
যুটীয়া সচিব (ভাৰপ্ৰাপ্ত সচিব), অসম চৰকাৰ
বিধান বিভাগ, দিশপুৰ, গুৱাহাটী-৬।

Guwahati : Printed and Published by the Director, Directorate of Printing & Stationery, Assam, Guwahati-21.
Extraordinary Gazette No. 1025 - 50 + 50 - 02 - 09 - 2026. (visit at– dpns.assam.gov.in)